**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-03-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। অসমৰ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ৩ লাখ কোটি টকা বিনিয়োগৰ পৰিকল্পনা।

২। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত আজি ডিব্ৰুগড়ত অসম মন্ত্ৰীসভাৰ বৈঠক।

৩। পহিলা অক্টোবৰৰ পৰা ৰেচন কাৰ্ড থকাসকলে বজাৰতকৈ কম মূল্যত দাইল, চেনি, নিমখ লাভ কৰিব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৪। ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনত মুঠ ৯৬ গৰাকী প্ৰাৰ্থীৰ প্ৰতিদ্বন্দ্বিতা। **আৰু**

৫। তৃষা জলি আৰু গায়ত্ৰী গোপীচান্দৰ যুটিটো আজি ছুইচ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ডাবল্‌ছৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলত অৱতীৰ্ণ।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে আমেৰিকা সদৃশ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ বাবে অসমত ৩ লাখ কোটি টকা বিনিয়োগ কৰাৰ পৰিকল্পনা কৰিছে। ৰাজ্যসভাৰ প্ৰশ্নোত্তৰ কালত কালি অসমৰ কেইবাগৰাকীও সাংসদৰ প্ৰশ্নৰ উত্তৰত কেন্দ্ৰীয় পথ পৰিবহণ আৰু ৰাষ্ট্ৰীয় ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে এই কথা প্ৰকাশ কৰে। অসমৰ বিভিন্ন ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰ কামৰ অগ্ৰগতিৰ বিষয়ে সদনক অৱগত কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে ৫ হাজাৰ ৮০০ কোটি টকাৰ ব্যয়েৰে ১২১ কিলোমিটাৰ দৈৰ্ঘ্যৰ গুৱাহাটী ৰিংৰোড প্ৰকল্পৰ কাম ২০২৭ চনৰ ডিচেম্বৰৰ ভিতৰত সম্পূৰ্ণ হ'ব। তেওঁ কয়, যে গুৱাহাটীৰ পৰা বৰাপানী হৈ শিলচৰলৈ ২৫ হাজাৰ কোটি টকা ব্যয়সাপেক্ষ অন্য এটা পৰিৱেশ অনুকুল কৰিড'ৰ নিৰ্মাণৰ যো-জা চলাই থকা হৈছে। কাজিৰঙাৰ মাজেদি উৰণ সেঁতু নিৰ্মাণৰ বাবে ছহেজাৰ কোটিটকীয়া প্ৰকল্পৰ কাম ইতিমধ্যে আৰম্ভ হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। শ্ৰী গাডকাৰীয়ে কয়, যে ১৬৭ কিলোমিটাৰ দৈৰ্ঘ্যৰ আন এটা চাৰিটা লেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ কামো অনুমোদন লাভৰ পৰ্যায়ত আছে। চৰকাৰে ১২ হাজাৰ কোটি টকা ব্যয়েৰে ব্ৰহ্মপুত্ৰৰ তলেৰে এটা সুৰংগ নিৰ্মাণ কৰিব আৰু এই প্ৰকল্পৰ বাবে শীঘ্ৰে অনুমোদন প্ৰদান কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। অসম গণ পৰিষদৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই উত্থাপন কৰা এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত মন্ত্ৰী গাডকাৰীয়ে কয়, যে গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰ কাম ইতিমধ্যে আৰম্ভ হৈছে আৰু বাইহাটা চাৰিআলি, নাৰেংগী আৰু সোণাপুৰৰ মাজৰ ৫৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱা পৰিৱেশ অনুকুল কৰিড'ৰ হিচাপে গঢ়ি তোলা হ'ব। এই প্ৰকল্পৰ অধীনত ব্ৰহ্মপুত্ৰৰ অধীনত এখন ছটা লেনযুক্ত দলঙো নিৰ্মাণ কৰা হ'ব।

ইপিনে, বিজেপি সাংসদ ভূৱনেশ্বৰ কলিতাৰ আন এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত শ্ৰী গাডকাৰীয়ে কয়, যে কাজিৰঙাৰ ওপৰেদি নিৰ্মাণ কৰিবলগীয়া উৰণসেতুৰ কাম আৰম্ভ হৈছে আৰু এই প্ৰকল্পৰ বাবদ ছহেজাৰ কোটি টকা ধাৰ্য কৰা হৈছে। আনহাতে, তৃণমূল কংগ্ৰেছৰ সাংসদ সুস্মিতা দেৱে গুৱাহাটী-ইম্ফল আৰু আইজলৰ পৰা বৰাক উপত্যকা সংযোগী ৬, ৩০৬ আৰু ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ সন্দৰ্ভত সোধা এটা প্ৰশ্নৰ উত্তৰত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে ঘাইপথ নিৰ্মাণৰ বাবে পুঁজিৰ অভাৱ নাই যদিও এই ঘাইপথসমূহৰ ভৌগোলিক অৱস্থান বৰ দুৰ্গম। অঞ্চলটোত আটাইতকৈ বেছি বৃষ্টিপাতৰ লগতে ভূমিস্খলনৰ ঘটনাও সততে

ঘটে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে এনে ৭ টা স্থান চিনাক্ত কৰা হৈছে আৰু এই স্থান কেইটাত নিৰ্মাণ কাৰ্য চলোৱাৰ বাবে ছুইজাৰলেণ্ড আৰু অষ্ট্ৰিয়াৰ সহায় লোৱা হ'ব। প্ৰয়োজন সাপেক্ষে আই আই টিৰ পৰাও প্ৰযুক্তিগত সহায় লোৱা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

শ্ৰী গাডকাৰীয়ে কয়, যে ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পসমূহত কাম সম্পূৰ্ণ হৈ উঠিলে অসম তথা উত্তৰ-পূৰ্বাঞ্চলত বিনিয়োগ বৃদ্ধি পাব আৰু কৰ্ম সংস্থাপনৰ ন ন সুযোগ সৃষ্টি হ'ব। কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ আন্তঃগাঁথনি নিৰ্মাণত অগ্ৰাধিকাৰ প্ৰদান কৰি আহিছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত ডিব্ৰুগড়ত আজি অসম মন্ত্ৰীসভাৰ বৈঠকৰ আয়োজন কৰা হৈছে। ডিব্ৰুগড় মহানগৰৰ মাইজানৰ মুখ্যমন্ত্ৰীৰ সচিবালয়ত দ্বিতীয়বাৰৰ বাবে বৈঠক হ'ব। বিয়লি ৪ বজাৰ পৰা হ'বলগীয়া বৈঠকে ৰাজ্যৰ বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ে সামৰি ল'ব। বৈঠকত অংশ লোৱাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ড০ শৰ্মাই বিয়লি ডিব্ৰুগড়ত উপস্থিত হ'ব। এই ভ্ৰমণকালত তেওঁ উজনি অসমৰ কেইবাখনো সমজিলাৰ লগতে সমষ্টি পৰ্যায়ৰ চৰকাৰী উন্নয়নমূলক কাম-কাজৰো পৰ্যালোচনা কৰিব।

০০০০০০

ৰেচন কাৰ্ডৰ জৰিয়তে হিতাধিকাৰীসকলে অহা ১ অক্টোবৰৰ পৰা বজাৰতকৈ কম দৰত দাইল, চেনি, নিমখ লাভ কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। হিতাধিকাৰীসকলে বজাৰৰ দৰতকৈ দাইল আৰু চেনি কম মূল্যত লাভ কৰাৰ লগতে নিমখ ১০ টকা কম দামত ক্ৰয় কৰিব পাৰিব। তেওঁ লগতে কয়, যে ৰেচন কাৰ্ড থকা পাঁচজনীয়া পৰিয়ালে এই সামগ্ৰী লাভ কৰিব আৰু পাঁচজনতকৈ অধিক সদস্য থাকিলে এই সামগ্ৰী ২ কিলোগ্ৰামকৈ লাভ কৰিব। মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত আত্মসহায়ক গোটৰ যোগ্য মহিলাসকলক অহা ১ এপ্ৰিলৰ পৰা ১০ হাজাৰ টকাকৈ প্ৰদান ব্যৱস্থা কৰা হৈছে বুলি তেওঁ প্ৰকাশ কৰে। এই ১০ হাজাৰ টকা সঠিককৈ ব্যৱহাৰ কৰিলে পৰৱৰ্তী সময়ত বেংকৰ পৰা ২৫ হাজাৰ টকা প্ৰদান কৰা হ'ব বুলি তেওঁ কয়।

০০০০০০

কেন্দ্ৰীয় মন্ত্ৰীসভাই কালি নামৰূপত ব্ৰহ্মপুত্ৰ উপত্যকা সাৰ নিগম লিমিটেডৰ বৰ্তমানৰ চৌহদত বছৰি ১২ লাখ ৭০ হাজাৰ মেট্ৰিক টন উৎপাদনক্ষম এম'নিয়া ইউৰিয়া প্ৰকল্প স্থাপনৰ প্ৰস্তাৱত অনুমোদন জনায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধক্ষ্যতাত কালি অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত এই প্ৰস্তাৱত অনুমোদন দিয়া হয়। এই প্ৰকল্পত ৰাজ্য চৰকাৰৰ ৪০ শতাংশ, ব্ৰহ্মপুত্ৰ উপত্যকা সাৰ নিগম লিমিটেডৰ ১১ শতাংশ, হিন্দুস্তান উৰ্বৰক এণ্ড ৰাসায়ন লিমিটেডৰ ১৩ শতাংশ, ৰাষ্ট্ৰীয় সাৰ লিমিটেডৰ ১৮ শতাংশ আৰু অইল ইণ্ডিয়া লিমিটেডৰ ১৮ শতাংশ অংশীদাৰিত্ব থাকিব। কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে এই সন্দৰ্ভত এনেদৰে কয় –

**(বাইট অশ্বিনী)**

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে নামৰূপ সাৰ কাৰখানাৰ চতুৰ্থ গোট স্থাপনৰ বাবে গ্ৰহণ কৰা সিদ্ধান্তক আদৰণি জনাইছে। নতুন দিল্লীত সাংবাদিকৰে সৈতে হোৱা কথা বতৰাত মন্ত্ৰীগৰাকীয়ে কয়, যে সাৰ কাৰখানাৰ চতুৰ্থ গোট স্থাপন কৰাটো অসমবাসীৰ দীৰ্ঘদিনীয়া দাবী আছিল। এই দাবী পূৰণ কৰাৰ বাবে শ্ৰী সোণোৱালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জ্ঞাপন কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাকো ধন্যবাদ জ্ঞাপন কৰি কয় যে মুখ্যমন্ত্ৰীগৰাকীৰ তৎপৰতাই বিষয়টো আগবঢ়াই নিয়াত সহায় কৰিছিল।

**(বাইট সৰ্বা)**

০০০০০০

অহা ২ এপ্ৰিলত হ'বলগীয়া ৰাভা-হাচং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনত ৩৩ টা সমষ্টিত মুঠ ৯৬ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। নিৰ্বাচনত দুয়োখন জিলাৰ ৩ গৰাকী প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে। নিৰ্বাচন হ'বলগীয়া দুখন জিলা কামৰূপ আৰু গোৱালপাৰাৰ ৩৬টা সমষ্টিৰ বাবে মুঠ ১০৭ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছিল। পৰিষদৰ অন্তৰ্গত গোৱালপাৰা জিলাৰ ২০টা সমষ্টিৰ বাবে মুঠ ৫৫ গৰাকী আৰু কামৰূপ জিলাৰ ১৬টা সমষ্টিৰ বাবে ৫২ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছিল। আমাৰ কামৰূপৰ সংবাদদাতাই জনোৱা মতে কামৰূপ জিলাৰ অন্তৰ্গত হাঁহিম সমষ্টিত ৰাভা হাছং যৌথ সংগ্ৰাম সমিতিৰ প্ৰাৰ্থী সোণাৰাম ৰাভা আৰু খলিহাকোঠ পৰিষদীয় সমষ্টিত নগৰমল স্বৰ্গীয়াৰী বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে। জিলাখনৰ অন্তৰ্গত বাকী ১৪ টা সমষ্টিৰ ৫০ গৰাকী প্ৰাৰ্থীৰ ভিতৰত ছগৰাকী প্ৰাৰ্থীয়ে নাম প্ৰত্যাহাৰ কৰাৰ ফলত এতিয়া মুঠ ৪৪ গৰাকী প্ৰাৰ্থীৰ মাজত প্ৰতিদ্বন্দ্বিতা হ'ব। গোৱালপাৰা জিলাৰ ২০টা সমষ্টিৰ বাবে মনোনয়ন দাখিল কৰা ৫৫ গৰাকী প্ৰাৰ্থীৰ ভিতৰত জয়ৰামকুছি পৰিষদীয় সমষ্টিৰ প্ৰাৰ্থী প্ৰেমাজুলি ৰাভা বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে। আন এগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰিছে। ইয়াৰ ফলত সমষ্টিকেইটাত ৫২ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হোৱাটো নিশ্চিত হৈছে বুলি আমাৰ সংবাদদাতাই জনাইছে।

পৰিষদৰ এই নিৰ্বাচনত ৰাভা-হাচং যৌথ সংগ্ৰাম সমিতিয়ে ৩০টাত আৰু বিজেপিয়ে ৬টা সমষ্টিত প্ৰাৰ্থিত্ব দিছে।

২ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ ভোটগ্ৰহণ হ'ব। অহা ৪ এপ্ৰিলত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব। ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ ভোটগ্ৰহণৰ দিন- ২ এপ্ৰিলত পৰিষদৰ অন্তৰ্গত অঞ্চলসমূহত সকলো চৰকাৰী কাৰ্যালয়, শিক্ষানুষ্ঠান বন্ধ থাকিব। নেগ'চিয়েব'ল ইনষ্ট্ৰুমেণ্টছ আইনৰ অধীনত জাৰি কৰা নিৰ্দেশ অনুসৰি ভোটগ্ৰহণৰ দিনাখন সংশ্লিষ্ট অঞ্চলসমূহৰ সকলো বেচৰকাৰী কাৰ্যালয়, ব্যৱসায়িক প্ৰতিষ্ঠান, বেংক, চাহ বাগিচা আদিতো দৰমহাসহ বন্ধৰ দিন ঘোষণা কৰা হৈছে।

০০০০০০

কেন্দ্ৰীয় ঔদ্যোগিক আৰু বৈজ্ঞানিক গৱেষণা পৰিষদৰ অধীনৰ যোৰহাটত থকা উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান চমুকৈ নেইষ্টৰ কোটিটকীয়া কেলেংকাৰি সন্দৰ্ভত চলি থকা তদন্তৰ অংশ হিচাপে কেন্দ্ৰীয় অনুসন্ধান সংস্থা চমুকৈ চিবিআইয়ে এটা ব্যৱসায়িক প্ৰতিষ্ঠানত কালি তালাচী চলায়। চিবিআইয়ে মিলন নগৰত থকা পৱন বৰা নামৰ এজন ব্যৱসায়ীৰ প্ৰতিষ্ঠানৰ গুদামত কেইবাঘণ্টা ধৰি তালাচী চলাই বিভিন্ন নথি-পত্ৰ পৰীক্ষা কৰে। উল্লেখযোগ্য যে এই প্ৰতিষ্ঠানটোৱে উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানক ৰাসায়নিক সামগ্ৰী যোগান ধৰি আহিছিল। এই সামগ্ৰী যোগানৰ নামত অনিয়ম আৰু বিত্তীয় কেলেংকাৰি হোৱা বুলি তদন্তকালত চিবিআইয়ে তথ্য লাভ কৰে। ইয়াৰ ভিত্তিতে দলটোৱে আছাম কেমিকেলৰ গুদামত তালাচী চলায়।

০০০০০০

২০২৫ বৰ্ষৰ গুণোৎসৱৰ ফলাফল অহা ২৭ মাৰ্চত ঘোষণা কৰা হ'ব। সেইদিনা গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত এই ফলাফলসমূহ ঘোষণা কৰা হ'ব। এই অনুষ্ঠানত ২০২৪ বৰ্ষৰ গুণোৎসৱত এ-প্লাছ পোৱা ৰাজ্যৰ ১১ হাজাৰ ৫৯৪ খন বিদ্যালয়ক আনুষ্ঠানিকভাৱে পুৰস্কৃত কৰা হ'ব। সমগ্ৰ শিক্ষা অসমে এখন জাননীৰ জৰিয়তে এইকথা প্ৰকাশ কৰিছে।

০০০০০০

আজি বিশ্ব ঘনচিৰিকা দিৱস। পৰিৱেশৰ ভাৰসাম্য অক্ষুণ্ণ ৰখাত সহায় কৰা অথচ ক্ৰমাৎ হ্ৰাস পাই অহা এই চৰাইবিধ সংৰক্ষণৰ বাবে ব্যাপক সজাগতা সৃষ্টি কৰিবলৈ এই দিৱস পালন কৰা হয়। এইবাৰ এই দিৱসৰ বিষয়বস্তু হ'ল লাভ স্পেৰ' বা 'ঘনচিৰিকাক মৰম কৰক'। এই দিৱস উপলক্ষে চৰকাৰী আৰু বেচৰকাৰীভাৱে বিভিন্ন কাৰ্যপন্থা গ্ৰহণ কৰা হৈছে। অসম কৃষি বিশ্ববিদ্যালয়ৰ উত্তৰ লখিমপুৰ মাণ্ডলিক গৱেষণা কেন্দ্ৰত চলি থকা ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ পক্ষী বিক্ষণ প্ৰকল্পৰ অধীনত আৰু লখিমপুৰৰ গ্ৰাম্যানুভূতি নামৰ সংস্থাৰ উদ্যোগত আজি পুৱাৰ ভাগত বিশ্ব ঘনচিৰিকা দিৱসৰ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই কাৰ্যসূচীত মাণ্ডলিক গৱেষণা কেন্দ্ৰ মুখ্য বিজ্ঞানী প্ৰবাল শইকীয়াৰ উপস্থিতিত চৰাই সংৰক্ষণৰ গুৰুত্ব সন্দৰ্ভত মুকলি আলাপৰ আয়োজন কৰা হৈছে। ইয়াৰ লগতে চৰাইৰ বাবে কৃত্ৰিম বাহ বিতৰণ আৰু সংস্থাপন, মৌ মাখি আৰু চৰাইক আকৰ্ষণ কৰা ফলমুলৰ গছ ৰোপণ, প্ৰকৃতি বিষয়ক গীত-নৃত্য আৰু কবিতাৰ কাৰ্যসূচী অনুষ্ঠিত হ'ব বুলি আয়োজকসকলে জানিবলৈ দিছে।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি পলাশবাৰীত প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ অধীনত হিতাধিকাৰীলৈ গৃহ অনুমোদন পত্ৰ প্ৰদান কৰা, সুনীতা উলিয়ামছ আৰু বুশ্ব উইলম'ৰৰ মহাকাশৰ পৰা ওভতনি যাত্ৰা আৰু নামৰূপ সাৰ প্ৰকল্পৰ বাবে ১০ হাজাৰো কোটিৰো অধিক টকাত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ অনুমোদনৰ বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় আটাইকেইখন দৈনিক বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত স্থান পোৱা পৰিলক্ষিত হৈছে।

**দৈনিক অসম** কাকতে সুনীতা উলিয়ামছ আৰু বুশ্ব উইলম'ৰৰ মহাকাশৰ প্ৰত্যাৱৰ্তনৰ বাতৰি-প্ৰতিক্ষাৰ অন্ত, উৎফুল্লিত বিশ্ব শিৰোনামেৰে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। একেটা বাত ৰিক অসমীয়া প্ৰতিদিন, আমাৰ অসম, নিয়মীয়া বাৰ্তা, দৈনিক জনমভূমি, দি আছাম ট্ৰিবিউন আদি কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। সুনীতাসহ চাৰিগৰাকী মহাকাশচাৰীক উভতাই অনাত ছিপাঝাৰৰ অভিযন্তা ভৱানী প্ৰসাদ শৰ্মাৰ অৱদানৰ বিষয়ে উল্লেখ কৰি **অসমীয়া প্ৰতিদিন** কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

**আমাৰ অসম** কাকতে বিভিন্ন জনগোষ্ঠীয় ছাত্ৰ-যুৱ সংগঠনৰ সকীয়নিৰ সূত্ৰে তিনিচুকীয়াত হ'বলগীয়া বিহাৰ দিৱস বাতিল কৰাৰ কথা উদ্যোক্তাসকলে ঘোষণা কৰা বাতৰিক গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

অসমৰ ৰাষ্ট্ৰীয় ঘাইপথ উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৩ লাখ কোটি টকা বিনিয়োগৰ পৰিকল্পনা কৰিছে বুলি নীতিন গাডকাৰীয়ে কালি ৰাজ্যসভাত দিয়া মন্তব্যক **নিয়মীয়া বাৰ্তা** কাকতে **আমেৰিকাৰ সদৃশ হ'ব অসমৰ ৰাষ্ট্ৰীয় ঘাইপথ, ২০২৭ চনত সম্পূৰ্ণ হ'ব গুৱাহাটী ৰিং ৰোড** শিৰোনামেৰে প্ৰকাশ কৰিছে।

**দৈনিক জনমভূমি** কাকতে কেন্দ্ৰীয় মন্ত্ৰীসভাই ১০ হাজাৰ কোটিৰো অধিক ব্যয় সাপেক্ষ নামৰূপ সাৰ প্ৰকল্পত অনুমোদন দিয়াৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে। **দি আছাম ট্ৰিবিউন** কাকতেও একেটা বাতৰিক প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

**অসমীয়া খবৰ** কাকতে কেন্দ্ৰীয় চৰকাৰে ৰাজ্যসভাত তিনিটা ভাষাৰ নীতি সন্দৰ্ভত স্থিতি স্পষ্ট কৰাৰ বাতৰি **ৰাইজৰ ওপৰত ভাষা জাপি দিয়া নহয়** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

**দৈনিক অগ্ৰদূত** কাকতে উচ্চ ন্যায়ালয় স্থানান্তৰৰ বিৰুদ্ধে উকিল সন্থাই কঠোৰ স্থিতি গ্ৰহণ কৰাৰ বিষয়ে এটা বাতৰি প্ৰকাশ কৰিছে।

**দা ছেণ্টিনেল** কাকতে অসম চৰকাৰে আইনী নীতি-নিয়ম পালন কৰি চুতাৰকান্দি সংহত প্ৰহৰা চকীৰে ১৩ জন বাংলাদেশী নাগৰিকক ঘূৰাই পঠিওৱা বুলি এটা বাতৰি প্ৰকাশ কৰিছে।

দা টাইমছ্ অৱ ইণ্ডিয়া কাকতে মণিপুৰত জমী হামাৰ সংঘৰ্ষত এজন লোকৰ মৃত্যু আৰু অন্য কেইবাজনো আহত হোৱাৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

২৬ আৰু ৩০ মাৰ্চত গুৱাহাটীৰ বৰ্ষাপাৰাৰ অসম ক্ৰিকেট এছ'চিয়েচনৰ ষ্টেডিয়ামত হ'বলগীয়া আই পি এলৰ খেল দুখনৰ বাবে ষ্টেডিয়ামৰ সমীপৰ অস্থায়ী কাউণ্টাৰত টিকট বিক্ৰী হৈ আছে। টিকট কাউণ্টাৰত ছাত্ৰ-ছাত্ৰীৰ বাবে ৫০০ টকাত টিকট বিক্ৰী কৰা হৈছে। আজি তৃতীয় দিনা শিক্ষাৰ্থীৰ বাবে ২০০ টিকট বিক্ৰী কৰা হ'ব। টিকট ক্ৰয়ৰ বাবে শিক্ষাৰ্থীয়ে শিক্ষানুষ্ঠানৰ সঠিক প্ৰমাণপত্ৰ দেখুৱাব লাগিব। কালি দ্বিতীয় দিনা কাউণ্টাৰ খোলাৰ কিছু সময়ৰ পাছতে শিক্ষাৰ্থীৰ বাবে মুকলি কৰা ৪০০ টিকটৰ বিক্ৰী সম্পূৰ্ণ হয়। আনহাতে, ৩০ তাৰিখৰ খেলখনৰ বাবে সাধাৰণ শ্ৰেণীৰ টিকটো অস্থায়ী কাউণ্টাৰত বিক্ৰী কৰা হৈছে। খেল দুখনৰ বাবে অনলাইনযোগে টিকট বিক্ৰী প্ৰায় শেষ হৈছে।

০০০০০০

ভাৰতৰ তৃষা জলি আৰু গায়ত্ৰী গোপীচান্দৰ যুটিটো আজি ছুইজাৰলেণ্ডৰ বাছেলত অনুষ্ঠিত ছুইচ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ডাবল্‌ছৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলত জাৰ্মানীৰ ছেলিন হব্‌ছছ্ আৰু এমিলি লেহমেনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় যুটিটো কালি প্ৰতিযোগিতাৰ প্ৰথম ৰাউণ্ডৰ এখন খেলত ছুইজাৰলেণ্ডৰ এলাইন মুলৰ আৰু নেডাৰলেণ্ডৰ কেলি ৰেন বিউটেনৰ যুটিটোক ২১-১৬, ২১-১৭ গেমত পৰাস্ত কৰে। পুৰুষৰ ছিংগলছৰ প্ৰথম ৰাউণ্ডত ভাৰতৰ কিদাম্বি শ্ৰীকান্তে কালি সতীৰ্থ খেলুৱৈ এইচ এছ প্ৰণয়ক ২৩-২১, ২৩-২১ গেমত পৰাভূত কৰে। ইপিনে, মহিলাৰ ছিংগল্‌ছত মালৱিকা বন্সোড়ে কানাডাৰ মিছেল লিক ২২-২০, ১৪-২১, ১৯-২১ গেমত পৰাস্ত কৰে। অৱশ্যে অলিম্পিকত দুবাৰকৈ পদক বিজয়ী পি ভি সিন্ধু ডেনমাৰ্কৰ জুলি ডাৱাল জেকবছেনৰ হাতত ১৭-২১, ১৯-২১ গেমত পৰাজিত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হয়।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ  সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৮ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

বতৰ বিজ্ঞান কেন্দ্ৰই অহা ২৪ ঘণ্টাত অৰুণাচল প্ৰদেশৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। এই সময়ছোৱাত নাগালেণ্ড, মিজোৰাম, আৰু মণিপুৰৰ কেতবোৰ ঠাইত পাতলীয়া বৰষুণ হ'ব পাৰে বুলি বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে। অহা ২৪ ঘণ্টাত অসম আৰু মেঘালয়ৰ বতৰ শুকান হৈ থাকিব বুলি কোৱা হৈছে।

০০০০০০

সমাপ্ত